**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :02**-DEC-2025
**Time :** 1845 Hrs

***Assamese Evening Bulletin***
***Headlines***
--------------------

১।	ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনী আদি বিষয়ত বিৰোধী পক্ষৰ প্ৰতিবাদত সংসদৰ কাৰ্যক্ৰমণিকা ব্যাহত।

২।	অসমৰ ৬টা জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টো কেন্দ্ৰীয় চৰকাৰক সহমৰ্মিতাৰে বিবেচনা কৰিবলৈ ৰাজ্যসভাত সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যৰ আহ্বান।

৩।	চাহ জনগোষ্ঠীৰ লোকসকলক ভূমিৰ অধিকাৰ প্ৰদান সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ জিলাসমূহৰ আয়ুক্তৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠক।

৪।	বৰ অসমৰ ভেটি গঢ়োতা স্বৰ্গদেউ চাওলুং চ্যুকাফাক সুঁৱৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত অসম দিৱসৰ কাৰ্যসূচী। শিৱসাগৰত ২০ ফুট উচ্চতাৰ প্ৰতিমূৰ্তি উন্মোচন।

*আৰু*

৫।	পৰম্পৰাগত নৃত্য-গীতেৰে উদ্ভাসিত নাগালেণ্ডৰ কিছামা গাঁৱৰ হৰ্নবিল মহোৎসৱ।

oooooo

ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনীকে ধৰি বিভিন্ন বিষয়ক লৈ বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত  লোকসভাৰ কাৰ্যক্ৰমণিকা দিনটোৰ বাবে স্থগিত ৰখা হয়। প্ৰথমবাৰৰ বাবে নিম্ন সদন স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত সদন পুনৰ মিলিত হোৱাৰ লগে লগে বিৰোধী পক্ষৰ সদস্যসকলে সদনৰ মজিয়ালৈ উঠি আহি তেওঁলোকৰ দাবীৰ সমৰ্থনত ধৰ্ণা দিবলৈ আৰম্ভ কৰে। সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজুৱে সদনত যিকোনো বিষয়ক লৈ আলোচনা কৰাৰ বাবে চৰকাৰ প্ৰস্তুত বুলি উল্লেখ কৰি লোকসভাৰ কামকাজ বিঘ্নিত নকৰিবলৈ বিৰোধী পক্ষৰ সাংসদসকলক অনুৰোধ জনায়। বিৰোধী পক্ষৰ সদস্যসকলে প্ৰতিবাদী কাৰ্যসূচী অব্যাহত ৰখাত নিম্ন সদন দুই বজালৈ স্থগিত ৰখা হয়। ২ বজাৰ পাছত সদনৰ কাম-কাজ পুনৰ আৰম্ভ হোৱাত বিৰোধী সদস্যসকলে অনুৰূপ ধৰণে হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে আৰু সদনৰ মজিয়ালৈ গৈ শ্লোগান দিয়ে। সেই সময়ত সদন পৰিচালনা কৰা সদস্যগৰাকীয়ে বিৰোধী দলৰ সাংসদসকলক সংযত হ'বলৈ বাৰম্বাৰ আহ্বান জনায় যদিও পৰিস্থিতি সলনি নোহোৱাত সদন দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়।

একেদৰে ৰাজ্যসভাতো বিৰোধী পক্ষৰ সাংসদসকলে একেটা বিষয়ক লৈ হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰাত সদন বিয়লি দুই বজালৈ স্থগিত ৰাখিবলগীয়া হয়। দিনৰ ১১ বজাত ৰাজ্যসভাৰ কামকাজ আৰম্ভ হোৱাৰ সময়ত সভাপতি চি পি ৰাধাকৃষ্ণনে জৰ্জিয়াৰ সংসদীয় প্ৰতিনিধি দলটোক ভাৰতলৈ আদৰণি জনায়। তেওঁলোকৰ এই

ভ্ৰমণে দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কক শক্তিশালী কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। ইয়াৰ পাছত সদনৰ শূন্য কালত বিৰোধী পক্ষৰ সাংসদসকলে ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনীকে ধৰি বিভিন্ন বিষয়ক লৈ হুলস্থুলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে।

সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজুৱে আলোচনাৰ জৰিয়তে সহমতত উপনীত হৈ সংসদৰ কামকাজ সুচাৰুৰূপে সম্পন্ন কৰাত সহায় কৰিবলৈ বিৰোধী পক্ষৰ সাংসদসকলক অনুৰোধ জনায়। তেনে পৰিস্থিতিত ৰাজ্যসভাৰ বিৰোধী দলপতি মল্লিকাৰ্জুন খাৰ্গেই ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনীৰ বিষয়টোক গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰি ইয়াক লৈ জৰুৰীভাৱে আলোচনা কৰাটো প্ৰয়োজনীয় বুলি মত প্ৰকাশ কৰে। ইয়াৰ মাজতে বিৰোধী পক্ষৰ সদস্যসকলে প্ৰতিবাদ অব্যাহত ৰখাত উচ্চ সদন দুই বজালৈ স্থগিত ৰখাৰ বিষয়ে ঘোষণা কৰা হয়।

০০০০০০

অসমৰ ৬টা জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টোও কেন্দ্ৰীয় চৰকাৰক সহমৰ্মিতাৰে বিবেচনা কৰিবলৈ আজি ৰাজ্যসভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই আহ্বান জনায়। শ্ৰীবৈশ্যই কয় যে এই ছটা জনগোষ্ঠী অসমৰ খিলঞ্জীয়া ভূমিপুত্ৰ আৰু সেয়েহে জনজাতিকৰণৰ সকলো যোগ্যতা তেওঁলোকৰ আছে। বিৰোধী দল কংগ্ৰেছে সাংসদজনৰ এই বক্তব্যৰো তীব্ৰ বিৰোধিতা কৰি প্ৰতিবাদ সাব্যস্ত কৰে।

উল্লেখযোগ্য যে ৰাজ্যৰ ছটা জনগোষ্ঠীক জনজাতিকৰণৰ বাবে গঠিত মন্ত্ৰীগোটে বিধানসভাত দাখিল কৰা প্ৰতিবেদন সন্দৰ্ভত পৰহিলৈ অসমৰ জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ সৈতে আলোচনাত মিলিত হ'ব। এই আলোচনা কালত জনজাতীয় সংগঠনসমূহৰ ওজৰ-আপত্তিসমূহ সন্দৰ্ভত আলোচনা কৰাৰ লগতে ইয়াৰ নিষ্পত্তিৰ ব্যৱস্থা কৰা হ'ব।

ছটা জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত মন্ত্ৰী গোটে বিধানসভাত দাখিল কৰা প্ৰতিবেদনক লৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰতিবাদী কাৰ্যসূচী অব্যাহত আছে। মৰাণ, মটক, আহোম, চুতীয়া, চাহ জনগোষ্ঠী আৰু কোচ-ৰাজবংশীসকলক জনজাতিকৰণৰ বাবে পৰামৰ্শ আগবঢ়াই প্ৰস্তুত কৰা এই প্ৰতিবেদনৰ বিৰুদ্ধে আজি চিৰাং জিলাৰ সদৰ কাজলগাঁৱত জনজাতীয় ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিবাদ সাব্যস্ত কৰে।

ইপিনে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মন্ত্ৰীগোটৰ প্ৰতিবেদনখন ভালদৰে নপঢ়াকৈ একাংশই প্ৰতিবাদী কাৰ্যসূচী চলাই আছে বুলি মত প্ৰকাশ কৰিছে। তেওঁ কয়, যে এই প্ৰতিবেদনত সকলোৰে সুবিধা হোৱাকৈ ব্যৱস্থা ৰখাৰ প্ৰস্তাৱ দিয়া হৈছে।

মন্ত্ৰী পীযুষ হাজৰিকাই এই প্ৰতিবেদনক লৈ কোনো দল-সংগঠন অসন্তুষ্ট নহয় বুলি মন্তব্য কৰে।

**বাইট (পীযুষ)**

০০০০০০

সংসদত আজি মণিপুৰ সামগ্ৰী আৰু সেৱা কৰ দ্বিতীয় সংশোধনী বিধেয়ক ২০২৫ গৃহীত হয়। এই বিধেয়কখনে ২০১৭ বৰ্ষৰ সামগ্ৰী আৰু সেৱা কৰ আইনৰ সংশোধন ঘটাব। তদুপৰি বিধেয়কখনে মণিপুৰ সামগ্ৰী আৰু সেৱা কৰ দ্বিতীয় সংশোধনী অধ্যাদেশ ২০২৫ৰো স্থান ল'ব। আজি ৰাজ্যসভাত বিত্ত ৰাজ্যমন্ত্ৰী পংকজ চৌধৰীয়ে এই বিধেয়কখন উত্থাপন কৰে। ইয়াৰ জৰিয়তে জি এছ টি পৰিষদৰ সিদ্ধান্তসমূহ কাৰ্যকৰী কৰাৰ

ব্যৱস্থা কৰা হ'ব। ইয়াৰ ফলত মণিপুৰতো জি এছ টি হাৰ এতিয়াৰে পৰা দুটা স্তৰত ৫ শতাংশ আৰু ১৮ শতাংশ হ'ব। উল্লেখযোগ্য যে মণিপুৰ জি এছ টি সংশোধনী বিধেয়ক ইয়াৰ আগতে লোকসভাত গৃহীত হৈছিল।

০০০০০০

চাহ জনগোষ্ঠীৰ লোকসকলক ভূমিৰ অধিকাৰ প্ৰদান সন্দৰ্ভত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জিলা আয়ুক্তসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হৈছে। জনগোষ্ঠীটোৰ লোকসকলক কি পদ্ধতিৰে ভূমি হস্তান্তৰ কৰা হ'ব সেই সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট জিলাসমূহৰ আয়ুক্তসকলক নিৰ্দেশনা দিয়াৰ সম্ভাৱনা আছে। এই বৈঠকত মন্ত্ৰী কেশৱ মহন্ত আৰু জয়ন্ত মল্ল বৰুৱাৰ উপৰি ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়াসকলেও অংশ লৈছে।

০০০০০০

আজি অসম দিৱস। বৰ অসমৰ ভেটি গঢ়োতা স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ বীৰত্ব, বিচক্ষণতা আৰু অৱদানক সুঁৱৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত অসম দিৱস উপলক্ষে ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই স্বৰ্গদেউ চাওলুং চ্যুকাফাক সুঁৱৰি সামাজিক মাধ্যমত এটা বিশেষ বাৰ্তা প্ৰকাশ কৰিছে। চাওলুং চ্যুকাফালৈ সন্মান জনাই ৰাজ্য চৰকাৰে ঘোষণা কৰা চৰাইদেউৰ চ্যুকাফা বিশ্ববিদ্যালয় স্বৰ্গদেউ চ্যুকাফাই গঢ়ি তোলা বৰ অসমৰ ভেটি বাস্তৱায়িত কৰাৰ বিনম্ৰ প্ৰয়াস বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই অসম দিৱস উপলক্ষে ৰাজ্যবাসীক অসমৰ প্ৰথমজন স্বৰ্গদেউৰ আদৰ্শেৰে অনুপ্ৰাণিত হ'বলৈ আহ্বান জনায়।

## বাইট (ৰাজ্যপাল)

অসম দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচী ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত শিৱসাগৰ জিলাৰ নাজিৰা খেলপথাৰত দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হয়। অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে এখন সৰ্বাংগ সুন্দৰ অসম গঢ়াৰ স্বাৰ্থত সকলোকে ভাতৃত্ববোধ আৰু সম্প্ৰীতিৰ ভাৱনাৰে একত্ৰিত হ'বলৈ আহ্বান জনায়। অনুষ্ঠানত কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, মন্ত্ৰী যোগেন মহন, পীযূষ হাজৰিকাই সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰে। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ লগতে টাই-আহোম উন্নয়ন পৰিষদৰ উদ্যোগত আৰু শিৱসাগৰ জিলা প্ৰশাসন আৰু আটাছু নাজিৰা মহকুমা সমিতিৰ উদ্যোগত অনুষ্ঠিত এই কাৰ্যসূচীৰ অংশ হিচাপে জলসম্পদ বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই চাওলুং চ্যুকাফাৰ এটা ২০ ফুট উচ্চতাৰ প্ৰতিমূৰ্তি উন্মোচন কৰে।

অসম দিৱস উপলক্ষে ধেমাজিৰ হাবুঙতো প্ৰথমজন আহোম স্বৰ্গদেউক সুঁৱৰি দিনজোৰা কাৰ্যসূচী হাতত লোৱা হয়। হাবুং উন্নয়ন আৰু পৰিচালনা সমিতিৰ উদ্যোগত টাই আহোম ছাত্ৰ সন্থাই টাই সাহিত্য সভাৰ সহযোগত চ্যুকাফাৰ দ্বিতীয় ৰাজধানীখনত পৰম্পৰাগত টাই আহোম ৰীতি-নীতিৰে পূজা অৰ্চনা আগবঢ়ায়। ইয়াৰ লগতে পুৰা পতাকা উত্তোলন, স্মৃতি তৰ্পণ আৰু দিনৰ ভাগত মুকলি সভা অনুষ্ঠিত হয়।

একেদৰে বিশ্বনাথ জিলা প্ৰশাসনৰ উদ্যোগতো অসম দিৱসৰ কাৰ্যসূচী জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সমীপত পালন কৰা হয়।

০০০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিত কুমাৰ দাসে বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিজেপিয়ে নিজৰ সাংগঠনিক ভেটি অধিক শক্তিশালী কৰিবলৈ প্ৰচেষ্টা চলাইছে বুলি আজি বজালীত মন্তব্য কৰে। অসম দৰ্শন আঁচনিৰ চেক বিতৰণ অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে এই বিষয়ে উল্লেখ কৰে। ৰাজ্য চৰকাৰৰ জনহিতৈষী আঁচনিসমূহৰ বিষয়ে উল্লেখ কৰি শ্ৰীদাসে কেন্দ্ৰীয় চৰকাৰে শীঘ্ৰেই অনুমোদন কৰিবলগীয়া আৰু ১০ লাখ পকী ঘৰৰ নিৰ্মাণৰ পাছত অসমৰ সকলো কেঁচা ঘৰ পকী হৈ উঠিব বুলি দাবী কৰে। এই ঘৰসমূহৰ বাবে হিতাধিকাৰীৰ নিৰ্বাচনৰ ক্ষেত্ৰত কোনোধৰণৰ পক্ষপাতদুষ্টতা সহ্য কৰা নহ'ব বুলি মন্ত্ৰীগৰাকীয়ে আজিৰ অনুষ্ঠানত জানিবলৈ দিয়ে। অনুষ্ঠানত বজালী জিলাৰ মুঠ ২৫ খন সত্ৰ তথা নামঘৰক অসম দৰ্শন আঁচনিৰ অনুমোদন পত্ৰ প্ৰদান কৰা হয়।

**বাইট (ৰণজিত কুমাৰ দাস)**

০০০০০০

অসম আৰক্ষী আৰু গৃহ বিভাগৰ মুঠ ৫ হাজাৰ ৮১৮ গৰাকী নৱ-নিৰ্বাচিত প্ৰাৰ্থীক কাইলৈ নিযুক্তি-পত্ৰ প্ৰদান কৰা হ'ব। সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত কাইলৈ দিনৰ ১১ বজাত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিযুক্তি-পত্ৰসমূহ প্ৰদান কৰিব। ইয়াৰ ভিতৰত অসম আৰক্ষীৰ উপ-পৰিদৰ্শক আৰু সমপৰ্যায়ৰ পদত ১৫৬ গৰাকী, কনিষ্টবল আৰু সমপৰ্যায়ৰ পদত ৫ হাজাৰ ৪১০ গৰাকী প্ৰাৰ্থীৰ লগতে ২৫২ গৰাকী চতুৰ্থ বৰ্গৰ পদৰ প্ৰাৰ্থী আছে। নিৰ্বাচিত প্ৰাৰ্থীসকলৰ ৫ হাজাৰ ১০গৰাকীয়ে অসম আৰক্ষী, ৪১১ গৰাকীয়ে অসম আৰক্ষী অনাতাঁৰ সংগঠন, ৩৬১ গৰাকীয়ে গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা, ২১ গৰাকীয়ে অগ্নি আৰু জৰুৰীকালীন সেৱা, ১২ গৰাকীয়ে কাৰাগাৰ আৰু তিনিগৰাকীয়ে ফৰেনচিক বিজ্ঞান সঞ্চালকালয়ত নিযুক্তি লাভ কৰিছে। ইপিনে, চাহ জনজাতি সম্প্ৰদায়ৰ বাবে সংৰক্ষিত ৩ শতাংশ পদত নিৰ্বাচিত ১২০গৰাকী প্ৰাৰ্থীক অহা ৮ ডিচেম্বৰত পৃথকভাৱে নিযুক্তি-পত্ৰ প্ৰদান কৰা হ'ব।

ইপিনে ৫ হাজাৰ ৫৫০ গৰাকী টেট উত্তীৰ্ণ শিক্ষকক ৰাজ্য চৰকাৰে ইতিমধ্যে নিযুক্তি পত্ৰ প্ৰদান কৰিছে।

০০০০০০

নগা যুৱক-যুৱতীৰ আকৰ্ষণীয় লোকনৃত্য, দেশ-বিদেশৰ শিল্পীৰ সংগীত আৰু সুস্বাদু খাদ্য সম্ভাৰৰ জুতি ল'বলৈ নাগালেণ্ডৰ কোহিমাৰ কিছামা গাঁৱত অনুষ্ঠিত হৰ্নবিল মহোৎসৱস্থলীত অগণন লোকৰ সমাগম হৈছে। জনজাতীয় নৃত্য-গীতে মুখৰ কৰি তোলা এই মহোৎসৱ বিভিন্ন হস্তকলা আৰু থলুৱা ক্ৰীড়া প্ৰতিভা প্ৰদৰ্শনৰো থলী হিচাপে বিবেচিত হৈছে। প্ৰতি সন্ধিয়া এই মহোৎসৱত সংগীতানুষ্ঠানে দৰ্শকসকলক আকৰ্ষিত কৰিছে।

**মিউজিক**.......

উল্লেখযোগ্য যে কালিৰে পৰা ১০ দিনীয়াকৈ অনুষ্ঠিত এই মহোৎসৱত নাগালেণ্ডৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লাই মুখ্য অতিথি হিচাপে অংশ লয়। হৰ্নবিল মহোৎসৱৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰাজ্যপালগৰাকীয়ে এই মহোৎসৱে নাগাসকলৰ চহকী সংস্কৃতি আৰু বিচিত্ৰতা প্ৰকাশ কৰে বুলি মন্তব্য কৰে। এই বছৰ ব্ৰিটেইন আয়াৰলেণ্ড, ফ্ৰান্স, অষ্ট্ৰিয়া, মাল্টা আৰু ছুইজাৰলেণ্ডে সহযোগী দেশ হিচাপে আৰু অৰুণাচল প্ৰদেশে সহযোগী ৰাজ্য হিচাপে যোগদান কৰিছে। উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি নাগালেণ্ডৰ

মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ'ই হৰ্নবিল মহোৎসৱ নাগাসকলৰ জীৱন আৰু জীৱিকাৰ লগতে সংস্কৃতি প্ৰতিফলন আৰু আগুৱাই নিয়াৰ মাধ্যম হিচাপে পৰিগণিত হৈছে বুলি উল্লেখ কৰে।

০০০০০০

পবিতৰা বন্যপ্ৰাণী উদ্যানত ৰঙাপাখিৰ হাঁহ প্ৰজাতিৰ বিৰল কাকলি হাঁহৰ আগমন ঘটিছে। উদ্যানখনত ভ্ৰমণৰত **আৰণ্যক** নামৰ বন্যপ্ৰাণী সংগঠনৰ গৱেষক তথা আলোকচিত্ৰকৰ উজ্বল ভূঞাই আজি এই বিৰল চৰাইবিধৰ তিনিটা চৰাইক প্ৰত্যক্ষ কৰে। ইয়াৰে এজনী মাইকী চৰাই আৰু আন দুটা মতা চৰাই বুলি ভূঞাই জানিবলৈ দিছে। উল্লেখযোগ্য যে বছৰৰ এই সময়ছোৱাত উদ্যানখনৰ তামুলীডুবা, হাঁহচৰা আৰু পাগলাডুবা বিলকেইখন শুকাই যায় যদিও উদ্যান কৰ্তৃপক্ষই যোৱা কেইবছৰমান ধৰি চলাই অহা নিৰলস প্ৰচেষ্টাৰ বাবে এইবাৰ এই বিলকেইখনত পানী আছে আৰু সেয়েহে এই বিৰল প্ৰজাতিৰ হাঁহবিধকে ধৰি পৰিভ্ৰমী চৰাইসমূহৰ উদ্যানখনলৈ আগমন ঘটিছে।

০০০০০০

দৰং জিলাৰ অন্যতম ব্যৱসায়িক নগৰ- খাৰুপেটীয়াত যোৱা নিশা সংঘটিত গুলীচালনাৰ ঘটনা সন্দৰ্ভত দৰং আৰক্ষীয়ে নগৰখনৰ গোপাল নগৰস্থিত অলংকাৰ বিক্ৰী প্ৰতিষ্ঠান- প্ৰমীলা জুৱেলাৰীৰ স্বত্বাধিকাৰ অনন্ত বিশ্বাসক আটক কৰিছে। দৰঙৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ৰ'জী তালুকদাৰৰ উদ্ধৃতি দি আমাৰ মঙলদৈৰ সংবাদদাতাই জনোৱা মতে কালিৰ গুলীচালনাত আহত মুন্না সাহা আৰু অভিযুক্ত অনন্ত বিশ্বাসৰ মাজত ধনৰ লেনদেন আছিল আৰু ধাৰে দিয়া ধন মুন্না সাহাই বিচৰাৰ বাবেই যোৱা নিশা দুয়োৰে মাজত মতানৈক্য হৈছিল। দুয়োৰে মাজৰ টনা আজোৰাৰ বাবেই যোৱা নিশা ১০ বজাত মুন্না সাহাৰ বুকুত গুলী লাগে। আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা এটা বিদেশত নিৰ্মিত পিষ্টল, দুজাঁই গুলী আৰু এটা গুলীৰ টোটা উদ্ধাৰ কৰে। আৰক্ষীয়ে সমগ্ৰ ঘটনা সন্দৰ্ভত বিতং তদন্ত আৰম্ভ কৰিছে। ইপিনে গুলীবিদ্ধ মুন্না সাহা ওৰফে অভিজিত সাহা বৰ্তমান গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে আৰু তেওঁৰ অৱস্থা অপৰিৱৰ্তিত হৈ আছে বুলি আমাৰ মঙলদৈৰ সংবাদদাতাই জনাইছে।

০০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি নিশা ৯ বাজি ১৫ মিনিটত বৰপেটা জিলাৰ ঔদ্যোগিক প্ৰগতি সম্পৰ্কত জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত প্ৰৱন্ধক অৰূপ কুমাৰ ডেকাৰ সৈতে আমাৰ বৰপেটাৰ সংবাদদাতাৰ সাক্ষাৎকাৰ শুনিবলৈ পাব। বিয়লি ৩ বাজি ৫ মিনিটত প্ৰচাৰিত এই অনুষ্ঠানটো নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

০০০০০০

সমাপ্ত